*Dr. Birinchi Choudhury*
M.phil, Ph D., UGC-SLET
**Principal & Secretary**
**Contact No. 9401257688**
**Email Id : principalbarbhag@gmail.com.**

বৰভাগ মহাবিদ্যালয়
শ্ৰদ্ধয়া লভতে জ্ঞানম্

*Office of the Principal*
# BARBHAG COLLEGE
**Kalag : Nalbari : Assam**
**Ph. No. 03624-283417**

**MEMO NO. ..............................** **Date:....................................**

## জাননী

**২৮-০৬-২০২৪**

ইয়াৰদ্বাৰা বৰভাগ মহাবিদ্যালয়ত ২০২৪-২৫ শিক্ষাবৰ্ষৰ কলা আৰু বিজ্ঞান শাখাৰ প্ৰথম ষাণ্মাসিকত নামভৰ্তিৰ বাবে ইচ্ছুক আবেদনকাৰীসকলক জনোৱা যায় যে, কালিলৈ ২৯-০৬-২০২৪ তাৰিখে 'সমৰ্থ পৰ্টেল'ৰ জৰিয়তে 'স্পট এডমিচন' (Spot Admission) আৰম্ভ কৰা হ'ব। এইক্ষেত্ৰত নামভৰ্তিৰ বাবে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই উচ্চ শিক্ষা সঞ্চালকালয়ৰ নিৰ্দেশনা অনুসৰি কিছুমান নিয়ম আৰু চৰ্তাৱলী নিৰ্ধাৰণ কৰিছে–

১. নামভৰ্তিৰ বাবে আবেদনকাৰীয়ে Samarth Portalৰ জড়িয়তে আবেদন কৰিব লাগিব।
২. ২৯-০৬-২০২৪ তাৰিখে ৰাতিপুৱা ১০.০০ বজাৰপৰা নামভৰ্তি প্ৰক্ৰিয়া আৰম্ভ হ'ব।আবেদনকাৰী নিজেই শাৰীৰিকভাৱে উপস্থিত হোৱাতো বাধ্যতামূলক।
৩. নামভৰ্তিৰ ১৫ মিনিট পূৰ্বৰ পৰা আবেদনকাৰীক 'টকেন' (Token) দিয়া হ'ব আৰু ইয়াৰ ক্ৰমিক নম্বৰ অনুসৰি আবেদনকাৰীয়ে নামভৰ্তি কৰিব পাৰিব।
৪. 'স্পট এডমিচন' (Spot Admission) ৰ নামভৰ্তি সম্পূৰ্ণৰূপত মেধাভিত্তিত হ'ব তথা জাতিগত সংৰক্ষণ ব্যৱস্থাৰ নিয়মাৱলী মানি চলা হ'ব।
৫. সীমিত চিটত দুই বা তাতোধিক আবেদনকাৰীয়ে একেসময়তে শাৰীৰিকভাৱে উপস্থিত হৈ আবেদন কৰিলে এইক্ষেত্ৰত আবেদনকাৰীয়ে লাভ কৰা সৰ্বমুঠ নম্বৰ (Best Five only)ৰ ভিত্তিত চিটৰ বাবে যোগ্যজনক নিৰ্বাচন কৰা হ'ব।
৬. ৫ নং নিয়ম অনুসৰি দুজন বা তাতোধিক আবেদনকাৰীৰ সৰ্বমুঠ নম্বৰ (Best Five only) সমান হ'লে এইক্ষেত্ৰত 1 Major 2 Minorৰ Scheme ত নামভৰ্তিৰ বাবে নিৰ্বাচন কৰা গুৰু (Major) বিষয়ৰটোত উচ্চতৰ মাধ্যমিক পৰীক্ষাত প্ৰাপ্ত নম্বৰৰ ভিত্তিত যোগ্যজনক নিৰ্বাচন কৰা হ'ব। সেইদৰে 3 Minorৰ Scheme ত Core Subjects ৰ সৰ্বমুঠ নম্বৰ (English আৰু MIL)ৰ ভিত্তিত চিটৰ বাবে যোগ্যজনক নিৰ্বাচন কৰা হ'ব।
৭. ৫ নং আৰু ৬ নং নিয়মাৱলী প্ৰযোজ্য কৰিও যদি কোনো চিটৰ বাবে যোগ্য আবেদনকাৰীক নিৰ্বাচন কৰিব পৰা নাযায়, তেনেক্ষেত্ৰতমহাবিদ্যালয়ৰ Admission Committee -এ আবেদনকাৰীসকলৰ শৈক্ষিক অৰ্হতা নিৰ্ণয় কৰিবৰ বাবে মৌখিক পৰীক্ষা (Viva-voce)অনুষ্ঠিত কৰিব আৰু ইয়াৰ ফলাফলৰ ভিত্তিত নামভৰ্তিৰ বাবে যোগ্যজনক নিৰ্বাচন কৰা হ'ব।
৮. Local Quota ত কোনো আবেদনকাৰীয়ে নামভৰ্তি কৰিব বিচাৰিলে ইয়াৰ সিদ্ধান্ত Admission Committee -এ অধ্যক্ষৰ সম্মতি অনুসৰি গ্ৰহণ কৰিব।
৯. 'স্পট এডমিচন' (Spot Admission) মহাবিদ্যালয়ৰ নিৰ্ধাৰিত চিট সম্পূৰ্ণ পূৰণ হোৱালৈকে চলিব। মহাবিদ্যালয়ত থকা নিৰ্ধাৰিত চিটৰ অতিৰিক্ত কোনো চিট ছাত্ৰ-ছাত্ৰীক প্ৰদান কৰা নহ'ব। খালী চিটৰ সংখ্যা আবেদনকাৰীয়েSamarth Portalৰ জড়িয়তে জানিব পাৰিব।
১০. নামভৰ্তিৰ ক্ষেত্ৰত Admission Committee -এ দিয়া সিদ্ধান্তক চূড়ান্ত সিদ্ধান্তৰূপে গণ্য কৰা হ'ব।

28/06/24

Principal & Secretary
Barbhag College, Kalag
Nalbari, Assam